স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

☐ VOL-15 ☐ NO-237 ☐ MONDAY 3 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIB

## প্ৰাচীন নাগৰী লিপি সম্পৰ্কত অৱগত

# কানৈ কলেজত কৰ্মশালাৰ সামৰণি

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২ নৱেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ হিন্দী বিভাগ, সংস্কৃত বিভাগৰ যুটীয়া উদ্যোগত আৰু ৰাজস্থানৰ জয়পুৰস্থিত একাডেমীয়া গৱেষণা কেন্দ্ৰৰ সহযোগত ২৪ অক্টোবৰৰ পৰা অনুষ্ঠিত অনলাইন কৰ্মশালা ৩০ অক্টোবৰত সমাপ্তি ঘটে। 'প্ৰাচীন নাগৰী লিপি' শীৰ্ষক কৰ্মশালাত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়স্থিত অন্যান্য মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে অংশগ্ৰহণ কৰে। ২৪ অক্টোবৰত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ভাৰতৰ পাণ্ডুলিপি সংৰক্ষণত এই ধৰণৰ কৰ্মশালাৰ প্ৰাসংগিকতা, প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰাৰ লগতে এনেধৰণৰ কৰ্মশালা আয়োজনত মহাবিদ্যালয়ে সদায় প্ৰচেষ্টা চলায় যাব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষ ড° শইকীয়াই উদ্যোক্তা সমিতিক শলাগ লোৱাৰ লগতে ভৱিষ্যতেও এনে ধৰণৰ কৰ্মশালা অনুষ্ঠিত কৰি ভাৰতৰ পুৰণি অমূল্য সম্ভাৰসমূহ সংৰক্ষণ কৰাৰ পথত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগায়। কৰ্মশালাখনৰ সমন্বয়ক, হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° লখিমা দেউৰীয়ে আঁত ধৰা সাতদিনীয়া কৰ্মশালাখনত অনলাইন মাধ্যমেৰে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে নতুন দিল্লীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ প্ৰকল্প সহায়ক, লিপি বিশেষজ্ঞ আনন্দ শৰ্মাই। লিপি বিশেষজ্ঞ শৰ্মাই প্ৰশিক্ষণৰ সময়ছোৱাত অংশগ্ৰহণকাৰীসকলক প্ৰাচীন নাগৰী লিপি লিখিবলৈ আৰু পঢ়িবলৈ শিকায়। ৩০ অক্টোবৰত কৰ্মশালাৰ সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকনে লিপি বিশেষজ্ঞ আনন্দ শৰ্মাৰ এই প্ৰচেষ্টাৰ বাবে শলাগ লোৱাৰ লগতে তেওঁৰ লিপি বিশেষজ্ঞ হিচাপে থকা জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰশংসা কৰে। অংশগ্ৰহণকাৰীৰ মাজৰ পৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰী, সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে কৰ্মশালাত হোৱা অভিজ্ঞতা ব্যক্ত কৰে। সামৰণি অনুষ্ঠানৰ সমন্বয়ক ড° লখিমা দেউৰীয়ে অনুষ্ঠানত সহায় কৰা প্ৰত্যেকজন সদস্যৰে শলাগ লয়।